অধ্যায়-১৪ নামবাদ- হ'বচ আৰু হিউম

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ নামবাদ ঃ এই মতবাদে কি কয়
১৪.৩.১ হ'বচৰ মতবাদ
১৪.৩.২ হিউমৰ মতবাদ
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সামান্যৰ এক মতবাদ হিচাপে নামবাদ মতবাদটো ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- হ'বচৰ নৰম নামবাদ (Milder Nominalism) ৰ ধাৰণাটো আলোচনা কৰিবলৈ সক্ষম হ'ব
- হিউমৰ নামবাদ মতবাদটো ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

১৪.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আলোচনা কৰাৰ দৰে সামান্য হৈছে সেই সাধাৰণ ধর্ম যি কোনো বিশেষ শ্রেণীৰ অন্তর্ভুক্ত প্রতিটো বস্তু বা প্রাণীৰ মাজত সমভাৱে উপস্থিত থাকে আৰুএক বিশেষ নামেৰে নামাকৰণ কৰা যায়। অর্থাৎ অনেকৰ মাজত যি সাধাৰণভাৱে উপস্থিত থাকে, তাকেই সামান্য বোলা হয়। গতিকে, সেই 'সামান্য'ৰ সঠিক স্বৰূপৰ সন্দর্ভত বিভিন্ন দার্শনিক তেওঁলোকৰ ভিন্ন মতামত সমূহ আগবঢ়াইছে। সেয়েহে, 'সামান্য কি?'- এই প্রশ্ন সম্বন্ধীয় বিভিন্নধৰণৰ মতবাদ আমি দেখা পাওঁ। নামবাদ এনে এক মতবাদ, যিয়ে এটা শ্রেণীৰ অন্তর্গত বস্তুসমূহৰ নিৰিক্ষিত সাদৃশ্য সমূহৰ মাজত সমিধান বিচাৰে।

১৪.৩ নামবাদ ঃ এই মতবাদে কি কিয়

নামবাদে বস্তুগত অধিবৈজ্ঞানিক সামান্যক সম্পূর্ণৰূপে অস্বীকাৰ কৰিছে। এই মতবাদ অনুসৰি এনেকুৱা কোনো বস্তু নাই, যি একে সময়তে বিশেষ বিশেষ বস্তুৰ এক সমষ্টিত উপস্থিত থাকে। এই মতবাদ মতে, এটা সমষ্টিৰ অন্তর্গত ভিন্ন বিশেষ বিশেষ বস্তুবোৰৰ মাজত থকা পর্য্যবেক্ষিত সাদৃশ্যতাৰ দ্বাৰাই কেৱল এই সামান্যৰ সমস্যাটো সমাধান কৰিব পৰা যায়।

এই মতবাদ অনুসৰি যিকোনো বিশেষ বস্তুৰ গুণ বা বিশিষ্ট ধর্মৰাজিত সেই বস্তুটোৰ দৰেই বিশেষ।নামবাদে সামান্য সম্পর্কীয় এৰিষ্ট'টল আৰু প্লেট' উভয়ৰে বাস্তৱবাদী মতবাদসমূহক নুই কৰিছে। এই মতবাদে পোষণ কৰে যে সামান্যৰ বস্তুগত আৰু মনোগত কোনো অস্তিত্ব নাই। ই কোনো সত্ত্বা নহয়। এই মতবাদটি যাৰ অনেক তাৰতম্য আছে, সি সামান্যক বিশেষ আৰু সিহঁতৰ মাজৰ সাদৃশ্যসমূহ হিচাপে সংজ্ঞা নিৰূপন কৰে। সেয়েহে, এক অর্থক এই মতবাদ প্লেটোতকৈ এৰিষ্ট'টলৰ মতৰহে বেছি নিকট। যিহেতু সামান্যক বিশেষৰ ৰূপত বর্ণনা কৰা হৈছে আৰু সেয়েহে, ইয়াক দৃষ্টান্তৰ অনুপস্থিতিত পাব পৰা নাযায়। কিন্তু এৰিষ্ট'টলে কোৱাৰ নিচিনাকৈ এই জগতৰ বিভিন্ন বস্তুৰ মাজতো অভিন্ন ৰূপে সামান্যই অৱস্থান নকৰে। সেইহেতুকে নামবাদে বস্তু সমূহৰ যে এক সাধাৰণ নাম থাকে, সেই কথা অস্বীকাৰ কৰা নাই। এই মতবাদটোৱে অস্বীকাৰ কৰে বিশেষ বস্তু সমূহক যাক এক বিশেষ বৈশিষ্টযুক্ত এক সাধাৰণ পদ, (যি সিহঁতৰ সকলোৰে ক্ষেত্রত অনুৰূপ) ৰ দ্বাৰা নামাকৰণ কৰা হয়। এই মতবাদৰ প্রধান সমর্থক সকল হৈছে বৌদ্ধসকল, হ'বচ, বার্কলি আৰু হিউম।

নামবাদৰ পাচাত্য মতবাদটোৱে বিশেষ কেইবাজনো অভিজ্ঞতাবাদী চিন্তাবিদৰ হাতত ইয়াৰ পূর্ণ প্রকাশ লাভ কৰে। তেওঁলোকে বিশেষৰ ওপৰত মনোনিবেশ আৰু অমুর্ত্ত চিন্তা বা কল্পনাৰ নিষ্কৃতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। বস্তুগত অধিবিদ্যামূলক সামান্যক দাঙি ধৰাৰ পৰিৱর্ত্তে, এই মতবাদটোৱে বিভিন্ন বিশেষৰ মাজত নিৰক্ষিত সাদৃশ্যকহে স্বকীৰ কৰিছে, যি সামান্যৰ সমস্যাটো সমাধান কৰাৰ বাবে যথোপযুক্ত। এই মতটো ও'কহামৰ উইলিয়াম (William of Okham) নামৰ দার্শনিক জনৰ দর্শনৰ পৰা আহিছে। তেওঁ মতবাদটোক সৰবাহী ৰূপে 'Principle of Ocham's Razor' হিচাপে জনাজাত। তেওঁৰ মতে য'ত কম পৰিমাণৰ ব্যৱহাৰ সম্ভৱ, তাত অধিক নীতি নিয়োগ কৰাটো সমৰ অপচয়হৈ হয়।

১৪.৩.১ হ'বচৰ মতবাদ

থমাচ হ'বচৰ চিন্তাধাৰাত নামবাচক ইয়াৰ স্পষ্ট ৰূপত দেখা পোৱা যায়। থমাচ হ'বচে তেওঁৰ নামবাদ মতবাদক এক নৰম ৰূপত আগবঢ়াইছে। তেওঁ পোষণ কৰে যে বিশেষৰ এটা সমষ্টি এটা আনটোৰ লগত মিল থকাৰ হেতু একেতা নামেৰে জনা যায়

আৰু এই বিশেষণ সমূহকো একেটা নামেৰেই বুজোৱা হয়। যিহেতু বাকীখিনিয়েও একে নামেৰে বুজোৱাক উপৰিও পৃথকে তাৰ লগত সাদৃশ্যৰ স্মপৰ্কৰে যুক্ত হৈ থাকে। হ'বচৰ মতে, সামান্য বুলি একো নাই, ই কেৱল এটা সাধাৰণ শব্দ, অথবা একে নামেৰে সিহঁতক নামাকৰণ কৰাৰ বাহিৰে বস্তুবোৰৰ সমষ্টিত আন কোনো 'সাধাৰণ' নাই। তেওঁৰ মতবাদে কেৱল বস্তুবাদকে অস্বীকাৰ কৰা নাই, বৰঞ্চ প্রত্যয়বাদকো অস্বীকাৰ কৰিছে। সামান্য এনে একো নহয়, যি প্রকৃতিৰ মাজত অৱস্থান কৰে, নাইবা ই মনত উদয় হোৱা কোনো ধাৰণা বা প্রতায় নহয়। অর্থাৎ, 'সামান্য' এই শব্দটো প্রকৃততে অস্তিত্বশীল এনে কোনো বস্তুৰ নাম নহয় বা এনে কোনো ধাৰণাৰ নাম নহয়, যাক আমাৰ মনে গঠন কৰে। হ'বচে সামান্য প্রত্যয় বা ধাৰণাৰ অস্তিত্ব স্বীকাৰ নকৰি সাধাৰণ নামকেই তেওঁ সামান্য আখ্যা দিছে। ই হৈছে সদায় কিছুমান শব্দৰ নাম মাত্র হৈ।

তথাপিও, হ'বচে তেওঁৰ নামবাদত 'Type' আৰু 'token' ৰ মাজত পার্থক্য নিৰূপন কৰিবলৈ অসমর্থ হোৱা যেন দেখা যায়। আর্হি (type) আৰু চিহ্ন (Token) ৰ মাজত এক তাৎপীর্য্যপূর্ণ পার্থক্য আছে। উদাহৰণ স্বৰূপে দিয়া তলৰ বাক্য দুটাত দেখা যায় যে একেটা শব্দ 'red' দুটা ভিন্ন ক্ষেত্রত কিদৰে 'Type' আৰু 'Token' ৰ অর্থত ব্যৱহৃত হৈছে।

(i) 'Red' occurs ten times on this page

(ii) His red handkarchief hung down from his pocket.

প্রথম বাক্যশাৰী উচ্চাৰণ কৰাত কওঁতাজনে 'Type' 'Red' ৰ কথা নির্দ্দেশ কৰিছে। ইয়াত, ই য'তেই উদ্ভৱ হয়, ত'তেই একেটা অর্থকে বহন কৰে। আনহাতে, হয় বাক্যশাৰী উচ্চাৰণ কৰোঁতে কওঁতাজনে আর্হি (Token) শব্দ 'Red' ৰ কথা নির্দ্দেশ কৰিছে। অর্থাৎ ই চিহ্ন (Type) শব্দ 'Red' ৰ বিশেষ বিশেষ উদ্ভৱৰ মাজৰ এটাক বুজাইছে।

এতিয়া, যিহেতু এই পার্থক্য নির্ণয়ত অকৃত কার্য্য হৈছে, সেয়ে তেওঁ বিচাৰি উলিয়াবলৈ অসমর্থ যে, এটা অর্থ য'ত এটা নাম বিশেষ সমূহৰ এক শৃংখলৰ ক্ষেত্রত সাধাৰণ যাৰ প্রত্যেককে সেই নামেৰে জনা যায়, সি হৈছে, এক 'Type sense' আৰু প্রত্যেক সময়ত যিকোনো এটা গোট বা সমূহক নামাকৰণ কৰাৰ ক্ষেত্রত বিভিন্ন ধৰণৰ 'Token' ব্যৱহৃত হয়। যদিহে তেওঁ 'Type' আৰু 'Token' ৰ মাজত পার্থক্য নিৰূপন কৰিলেহেতেন, তেওঁ কেৱল এই কথাই জ্ঞাত নহ'ল হেতেন যে এটা সাংখ্যিক ভাৱে পৃথক চিহ্ন (Token) প্রত্যেক সময়তে ব্যৱহৃত হয়, কিন্তু এটা একক আর্হিৰ চিহ্নসমূহ পৰিমাণগতভাৱে ভিন্ন প্রকাৰৰো হ'ব পাৰে, তাকে জানিবলৈ সক্ষম হ'ল হেতেন। তাৰোপৰি, এটা প্রদত্ত শব্দৰ প্রত্যেক দৃষ্টান্ততে আক্ষৰিকভাৱে সাধাৰণ নাইবা অনুৰূপ কিবা আছে বুলি ভৱাটো কেৱল 'আর্হি' (Type) আৰু 'চিহ্ন' (Token) ৰ মাজত পার্থক্যৰ বিচাৰ কৰা আৰু একে 'আর্হি'ৰ চিহ্ন সমূহত পৰিমাণগত পার্থক্যক নুই কৰাক বুজোৱা

নাই বৰঞ্চ ইয়াৰ দ্বাৰা এৰিষ্টটলীয়ান মতবাদটোক ইয়াৰ দোষ সমূহৰ এটা সমূহ (Group) ৰ এক সাধাৰণ বৈশিষ্ট্য নহয়, বৰঞ্চ সকলোৰে ক্ষেত্রত সাধাৰণ এক একক অনুৰূপ নাম মাত্র।

এইদৰেই হ'বচৰ সামান্য সম্বন্ধীয় মতবাদে কেতবোৰ গুৰুতৰ প্রশ্নৰ সন্মুখীন হৈছে- কি. বেলেগ বেলেগ বস্তুক একোটা নামৰ দ্বাৰা বুজোৱা হয়? কেতবোৰ বস্তুক একেটা নামেৰে মতাটো কি শ্রেণীবিভাজনৰ ভিত্তি? যেতিয়া জগতৰ সকলো বস্তুৰেই একক, তেন্তে নামক সামান্য বুলি কোৱাত হ'বচ কেনেকৈ স্থিৰ হৈ থাকিব পাৰে? চৰম নামবাদক পোষণ কৰা প্রত্যেকেই এই সকলোবোৰ দোষ বা সমস্যাৰ মুখামুখী হ'বই লাগিব। হ'বচে এই কথা হয়তে বুজি পাইছিল, সেয়ে তেওঁ নৰম নামবাদৰ পক্ষে থিয় দিছিল। একেটা নামৰ দ্বাৰা প্রত্যেক বিশেষ বিশেষ বস্তুক বুজোৱাব ভিত্তি স্বৰূপে তেওঁ বিশেষ বস্তু সমূহৰ মাজত সাদৃশ্যৰ কথা স্বীকাৰ কৰিছে। কেতবোৰ গুণ নাইবা আন কোনো ক্ষেত্রত সাদৃশ্যতা হেতু এটা সামান্য নামক বহুতো বস্তুৰ ক্ষেত্রত প্রয়োগ কৰিব পাৰি। 'এজন মানুহ' (A man) হে 'সকলো মানুহ'ৰ যিকোনো এটা সাদৃশ্যক নির্দ্দেশ কৰে আৰু 'এটা গৰু' (A Cow) ৰে 'সকলো গৰু'ৰ যিকোনো এক সাদৃশ্যক বুজায়। 'এইজন মানুহ' আৰু 'সেইজন মানুহ'ৰ মাজত আৰু 'এইটো গৰু' আৰু 'সেইটো গৰু'ৰ মাজত সাদৃশ্যতাৰ এক সম্বন্ধ আছে। যেতিয়া হ'বচে কয় যে, এটা সাধাৰণ শব্দ হৈছে এক নাম, যি বিশেষৰ এটা সমুদায়ৰ ক্ষেত্রত সদায় একে, ইয়াৰ দ্বাৰা তেওঁ ইয়াকে বুজাইছে যে এক সমূহৰ অন্তর্ভুক্ত প্রত্যেক বিশেষ বিশেষ (Particulars) ৰ বাবে ব্যৱহৃত হোৱা হেতু এটা চিহ্ন সকলোৰে সৈতে সদৃশ। বস্তুৰ সাদৃশ্যতা শ্রেণীবিভাজনৰ ভিত্তি। শ্রেণীবিভাজন কেৱল নামকৰণে নহয়, ইয়াৰ এক বিশেষ ভেঁটিও আছে। সেয়া হৈছে বস্তুৰ মাজৰ সাদৃশ্যতা। এইদৰেই, হ'বচৰ মতবাদটে, সাদৃশ্যতাবাদ মতবাদ (Theory of Resemblane) ৰ অন্তর্গত হোৱা দেখা যায়।

হ'বচৰ নামবাদ বৌদ্ধ নামবাদ (apohavada) ৰ পৰা পৃথক। বৌদ্ধ নামবাদৰ দৰে হ'বচৰ নামবাদ সম্বন্ধীয় স্থান চৰম নহয়। বিশেষৰ মাজত কোনো ধৰণৰ সদর্থক সাদৃশ্যতা বৌদ্ধসকলে স্বীকাৰ কৰা নাই। কেৱল অদ্বিতীয় (Unique) বিশেষ (Sua-laksana) হে সত্য আৰু সাদৃশ্যতা, নাম আদি সকলো নামসিক গঠন। আমাৰ কল্পনাৰ বাদে সাদৃশ্যতা, নাইবা মিলৰ কোনো স্থান নাই। বস্তুসমূহক একে বুলিও ক'ব নোৱাৰি নাইবা শব্দ বোৰকো একে বুলিব নোৱাৰি। 'সাদৃশ্যতা', 'অনুৰূপতা' আদি সকলো মানুহৰ মনৰ বিশ্বাস। বৌদ্ধসকলে যি কোনো ধৰণৰ সাদৃশ্যতাক নুই কৰিছে। এজন স্থিৰ নামবাদী হোৱাৰ হেতু তেওঁ জানে যে যিকোনো সমতলৰ ওপৰত অনুৰূপতা বা সাদৃশ্যতাক গ্রহণ কৰাটোৱে বস্তুবাদক আ াদিত কৰাহে হ'ব।



অগ্রগতি খতিয়ান

প্রশ্ন নং ১ ঃ তলৰ বাক্যসমূহ সত্য নে অসত্য উল্লেখ কৰক।

(ক) নামবাদ অনুসৰি সামান্য হৈছে আচল গুণ। (সত্য/অসত্য)

(খ) হ'বচৰ নামবাদ নৱম নামবাদ। (সত্য/অসত্য)

(গ) বৌদ্ধ নামবাদক 'Apohavada' বোলা হয়। (সত্য/অসত্য)

প্রশ্ন নং ২ ঃ নামবাদৰ সংজ্ঞা দিয়া।

.....

.....

প্রশ্ন নং ৩ ঃ আৰ্হি (Type) কি?

.....

.....

প্রশ্ন নং ৪ ঃ চিহ্ন (Token) কি?

.....

.....

প্রশ্ন নং ৫ ঃ হ'বচে সামান্যক কিদৰে বৰ্ণনা কৰিছে?

.....

.....

১৪.৩.২ হিউমৰ মতবাদ

হিউমৰ সাধাৰণ শব্দৰ বিষয়টো তেওঁৰ বিখ্যাত গ্ৰন্থ 'A Trealise of Human Nature' ত দেখিবলৈ পোৱা যায়। হিউমে পোষণ কৰে যে সামান্য ধাৰণাবোৰ হৈছে এক প্ৰতিনিধিৰ ৰূপত ব্যৱহৃত বিশেষ ধাৰণা। মনোবৃত্তিৰ মতবাদ আৰু অনুৰূপতাবাদ মতবাদৰ নিয়ম গঠনৰ দ্বাৰা তেওঁ এই ধাৰণাৰ বিকাল ঘটাইছিল, যি বাৰ্কলিৰ মতবাদৰ সৈতে হুবহু একে আছিল। মনত এক বিশেষ আকৃতি বা কল্পনাৰ অবিহনে আমি তাক কেতিয়াও সামান্যীকৰণ কৰিব নোৱাৰো এই দৃষ্টিভঙ্গীৰে হিউমে তেওঁৰ মতবাদটো আৰম্ভ কৰিছে। তেওঁ বিমুৰ্ত্তিকৰণ ধাৰণাৰ বিৰোধী আছিল। তেওঁৰ বাবে সামান্য ধাৰণাবোৰ নিজে একেটা বিশেষ স্থূল বা মুৰ্ত্ত বস্তু বা ব্যক্তি বিশেষ। ধাৰণাবোৰ চিন্তা আৰু যুক্তিত

থকা সাঁচসমূহৰ অনুজ্বল ধাৰণা বা নকল (Copies)। হিউমে সিহঁতক যুক্তিৰ দ্বাৰা অনুভৱ কৰা বৌদ্ধিক ধাৰণা ৰূপে গ্রহণ কৰা নাই। সেইবোৰ ধাৰণাহে কেৱল আছে, যিয়ে মনৰ সাঁচবোৰক নকল কৰিব পাৰে।

হিউমে বার্কলিৰ এই কথা প্রশংসা কৰিছে যে সামান্য বা সাধাৰণ ধাৰণাসমূহ এক নির্দ্দিষ্ট শব্দৰ সৈতে লগলাগি থকা বিশেষৰ বাদে আন একো নহয়, যিয়ে সিহঁতক সাব্যস্ত কৰে আৰু এক ব্যাপক তাৎপর্য্য প্রদান কৰে; লগতে সিহঁতৰ লগত মিল থকা অন্যান্য ব্যক্তি নাইবা বস্তুৰ ক্ষেত্রত সিহঁতক মনত পেলায় দিয়াত সহায় কৰে। হিউমে ভাৱে যে প্রত্যেক সামান্য বা সাধাৰণ শব্দৰ লগত সঙ্গঁতি ৰাখিলে এক বিশেষ মানসিক ধাৰণা থাকিবই লাগিব। বার্কলিয়ে যেতিয়া পোষণ কৰে যে এক বিশেষৰ সম্বন্ধতহে এটা শব্দ সামান্য হৈ পৰে, কিন্তু আনহাতে, হিউমে প্রতিনিধিত্ব মূলক ধাৰণাক বেলেগ এক উপায় হিচাপে উল্লেখ কৰিছে। তেওঁৰ বাবে এক সামান্য পদৰ লগত যুক্ত হ'লেহে এটা বিশেষ ধাৰণা সামান্য হৈ পৰে।

হিউমে তেওঁৰ দৃষ্টিভংগীৰ সমর্থনত তিনিটা যুক্তি আগবঢ়াইছে। সেয়া হ'ল-

প্রথমে, আমি এডাল ৰেখা কল্পনা কৰিব নোৱাৰো যাৰ কোনো নির্দ্দিষ্ট দৈর্ঘ্য নাথাকে। সেয়েহে, আমি প্রত্যেকৰে এক সঠিক মাত্রা নির্দ্ধাৰণ নকৰাকৈ গুণ আৰু পৰিমাণৰ কোনো ধাৰণা গঠন কৰিব নোৱাৰো।

দ্বিতীয়তে, যিহেতু এক ধাৰণাই মনৰ সাঁচবোৰ নকল কৰে আৰু প্রত্যেক সাঁচেই নির্দ্দিষ্ট আৰু স্পষ্ট, সেয়ে, এটা ধাৰণাও সুনির্দ্দিষ্ট আৰু সুস্পষ্ট হ'বই লাগিব, আনকি যদিও ই মনৰ সাঁচতকৈ অনুজ্বল, য'ৰ পৰা ই নিঃসৃত হয়।

তৃতীয়তে, প্রকৃতিত যি অস্তিত্বশীল সিয়েই ব্যক্তিবিষয়ক (Individual) অর্থাৎ এক সঠিকভাৱে নির্দ্ধাৰিত বিশেষ (Particular)। উদাহৰণস্বৰূপে- বিশেষ বৈশিষ্ট্য নোহোৱাকৈ কোনো ত্রিভুজ অস্তিত্বশীল হ'ব নোৱাৰে। এটা অস্তিত্বশীল ত্রিভুজৰ স্বকীর্য্য হিচাপে মানি লোৱাটো অসঙ্গঁত হ'ব, যি একেটা সময়তে সামান্য আৰু ত্রিভুজৰ সম্ভাৱনীয় প্রকাৰ আৰু আয়তনৰ একো নাথাকে।

বার্কলিয়ে যেতিয়া এই কথাষাৰ দর্শাই নিজকে বিবাদৰ সন্মুখীন কৰাইছে যে এটা ধাৰণাই একে ধৰণৰ সকলো ধাৰণাকে প্রতিনিধিত্ব কৰাৰ দ্বাৰা সামান্য ধাৰণা হৈ পৰে; হিউমে আনহাতে আৰু এখোপ আগুৱাই গৈ এটা বিশেষ ধাৰণাই কিদৰে আন আন ধাৰণা সমূহক প্রতিনিধিত্ব কৰে, তাৰ বর্ণনা আগবঢ়াইছে। তেওঁৰ এই ব্যাখ্যা তেওঁৰ অনুৰূপতাবাদ মতবাদত উল্লেখ আছে। তেওঁ অনুৰূপতা সম্পর্কে দুটা দিশৰ কথা উল্লেখ কৰিছে। প্রথমে, দুটা বস্তু অনুৰূপ হয়, যেতিয়া সিহঁতৰ এক নাইবা একাধিক উপাদান একে হয়। ই হৈছে অনুৰূপতাৰ পৰম্পৰাগত ব্যাখ্যা। দ্বিতীয়তে, অনুৰূপতা তেতিয়াও সংঘটিত হ'ব পাৰে, য'ত কোনো ঘৰণৰ সাধাৰণ উপাদান নাথাকে। এইটো হিউমৰ এক

উপৰুৱা মতবাদ, যিয়ে সঠিক অনুৰূপতাবাদৰ বাবে ভেঁটিৰ যোগান ধৰে। প্ৰথম মতবাদটোৱে সাব্যস্ত কৰে যে দুটা সংযোজক এটা আনটোৰ অনুৰূপ বুলিব পাৰি, যদিহে অমিশ্ৰিত উপাদানসমূহৰ মাজৰ অন্ততঃ এটা অমিশ্ৰিত উপাদান সিহঁতৰ মাজত সাধাৰণ হয়। উদাহৰণ স্বৰূপে- যদি এটা সংমিশ্ৰিত 'A' গঠিত হয় 'a', 'b', 'c' আৰু 'd' ৰ দ্বাৰা আৰু আন এটা সংমিশ্ৰিত 'B' গঠিত হয় ক্ৰমে 'a', 'b', 'e' আৰু 'f' ৰ দ্বাৰা, তেতিয়া 'A' আৰু 'B' ক অনুৰূপ বুলি ক'ব পৰা যায়, যিহেতু উভয়ৰে মাজত 'a' আৰু 'b' সাধাৰণ উপাদান উপস্থিত আছে। কিন্তু এই অনুৰূপতাৰ বিষয়টোত এক অসুবিধা আহি পৰে। ওপৰৰ ব্যাখ্যা অনুসৰি এই মতবাদে কেৱল সাধাৰণ উপাদান বিশিষ্ট সংমিশ্ৰিণৰ ক্ষেত্ৰতহে পৰ্য্যবেক্ষণ কৰিব পাৰে আৰু ই ইয়াকে বুজায় যে অমিশ্ৰিত সমূহক এটাৰ লগত আনটোক একে বুলিব পৰা নাযায় আৰু সেইহেতুকে সিহঁতৰ ক্ষেত্ৰত আমি সামান্যীকৰণ কৰিব নোৱৰো।।

এই সমস্যাটো অনুধাৱন কৰি হিউমে কয় যে যেতিয়া আমি পৰ্য্যবেক্ষণ কৰা কেতবোৰ বস্তুৰ মাজত অনুৰূপতা বা মিল বিচাৰি পাওঁ, তেতিয়া আমি আমাৰ অভ্যাসৰ বাবে সকলো বস্তুৰ ক্ষেত্ৰতে একেটা নামকেই প্ৰয়োগ কৰোঁ। উদাহৰণ হিচাপে- সঘনাই 'গৰু'ক নিৰিক্ষন কৰি থাকো আৰু সিহঁতৰ মাজত অনুৰূপতা সমূহকো নিৰীক্ষণ কৰি থাকো, তেতিয়া আমি 'গৰু' শব্দটো সিহঁতৰ লগত অনুৰূপ জীৱটোৰ ক্ষেত্ৰতো সেই একে শব্দ 'গৰু' ব্যৱহাৰ কৰো, অথচ জার্চি গৰু, দেশী গৰু, বগা গৰু, ক'লা গৰু, পখৰা গৰু আদিৰ মাজত পার্থক্যবোৰ আমি বিচাৰ কৰি নাচাওঁ। এইদৰেই আমি সাধাৰণ উপাদান সমূহ আৱিষ্কাৰ নকৰাকৈয়ে সামান্যীকৰণ কৰোঁ, কেৱল সাদৃশ্য বা অনুৰূপতা সমূহৰ গণনাৰ জৰিয়তে, য'ত কোনো ধৰণৰ জ্ঞাত অনুৰূপ সাধাৰণ গুণ বা বৈশিষ্ট্য নাথাকে। এইদৰেই, হিউমৰ মত সামান্যীকৰণ সম্ভৱ হয় সাদৃশ্যতা বা অনুৰূপতা বিচাৰি উলিওৱাৰ দ্বাৰা। তেওঁৰ নতুন ব্যাখ্যাটো সংমিশ্ৰিত বস্তু বা ঘটনাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হয়।

তথাপিও হিউমৰ অমিশ্ৰিত বস্তুৰ মাজত থকা অনুৰূপতাৰ মতবাদ প্ৰশ্নৰ পৰা মুক্ত হ'ব পৰা নাই। 'সৰল ধাৰণা', এক অমুৰ্ত্ত পদৰ অধীনত সকলো অমিশ্ৰিতক একেলগে এটা গোটৰ অন্তৰ্গত কৰিবলৈ কিহে আমাক সমর্থ কৰে - এই প্ৰশ্নৰ সন্দর্ভত হিউমে ভাবে যে সিঁহতে নিজৰ সৰলতাত ইটোৰ লগত সিটোৰ সাদৃশ্য বা অনুৰূপতাৰ জড়িয়তে মিলিত হৈ থাকে। এতিয়া, যদি আমি সাদৃশ্যতাৰ মতবাদ অনুসৰি এটা শব্দক ব্যাখ্যা কৰিবলৈ যাওঁ, তেতিয়া ই ইয়াকে বুজাব যে আন এক সৰল ধাৰণাৰ সৰলতাৰ সাদৃশ্য আছে, কিন্তু আন এক সৰল ধাৰণাৰ সৈতে ই অনুৰূপ নহয়। এতিয়াও, ইয়াৰ দ্বাৰা হিউমে কি ক'ব বিচাৰিছে, সেই কথা পৰিষ্কাৰ হোৱা নাই। তেওঁ নিশ্চিতভাৱে বুজাইছে যে দুয়োটা সৰল ধাৰণাত সৰলতাটো অনুৰূপ। সেয়েহে, হিউমৰ অৱস্থিতি মজবুত ৰাখিবলৈ অনুৰূপতাবাদ মতবাদ অসফল হৈছে।

আকৌ, স্বভাৱহাত বা প্রবৃত্তিমূলক মতবাদ (Disposition or Propensity theory)ত এহাতে হিউমে ধাৰণাৰ সংযোজনৰ বিষয়ে আৰু আনহাতে, বিশ্বাসৰ বিষয়ে অতি স্পষ্টভাৱে আলোচনা কৰিছে। হিউমে স্বভাৱজাত মতবাদক কেতবোৰ সাদৃশ্যানুমানৰ সহায়েৰে ব্যাখ্যা কৰিছে। আৰু এইবোৰ সাদৃশ্যানুমানৰ দ্বাৰা তেওঁ সামান্য শব্দৰ ব্যৱহাৰ সম্পর্কত তলত উল্লেখিত দিশকেইটা প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰিছে ঃ

(১) সামান্য শব্দবোৰক কৃতকার্যভাৱে ব্যৱহাৰ কৰাৰ উদ্দেশ্যে আমি নির্দ্দিষ্ট কৌশল আহৰণ কৰিব লাগিব। বহুতো বস্তুক সামৰি ল'বলৈ শব্দৰ ব্যৱহাৰৰ ই হৈছে এক - কৌশল, যিবোৰৰ বেছিভাগ শব্দই ব্যৱহাৰৰ সময়ত আমাৰ চিন্তাত নাথাকে।

(২) সাধাৰণ শব্দই এক অভ্যাসক পুনৰ সজীৱ কৰে। ই এক উত্তেজকৰ দৰে ক্রিয়া কৰে। এটা একক শব্দৰ ব্যৱহাৰৰ দ্বাৰা আমি অভ্যাসৰ বহুতো দৃষ্টান্ত পুনৰোজ্জীৱিত কৰিব পাৰো। উদাহৰণস্বৰূপে এজন মানুহে, যিজনে শ্লোকসমূহ মনত পেলাব পৰা নাই, শ্লোকসমূহ আৰম্ভ হোৱা এটা একক শব্দ বা উক্তিৰ দ্বাৰা তেওঁক সম্পূর্ণ শ্লোকটো মনত পেলাই দিব পাৰি।

(৩) যেতিয়া আমি সাধাৰণ বা সামান্য শব্দবোৰ ব্যৱহাৰ কৰোঁ, ইয়াৰ অর্থ সমূহ নির্দ্ধাৰিত বা স্থিৰ বুলিব নোৱাৰি। ইয়াক সঠিকভাৱে সংজ্ঞা দিয়া নহয় ; ই কোনো ক্ষেত্রত দুর্বলভাৱেও ব্যৱহৃত হয়। তথাপিও, ইয়াক মুর্খামিৰে ব্যৱহাৰ কৰিব নোৱাৰি, চিন্তা আৰু আনৰ সৈতে হোৱা কথোপকথনত ইয়াক বিজ্ঞতা আৰু তাৎপর্যপূর্ণতাৰে ব্যৱহাৰ কৰা হয়। যদিও আমি সাধাৰণ শব্দবোৰৰ সংজ্ঞা কাৎচিত হে সঠিকভাৱে নিৰূপন কৰোঁ, তথাপি যথোপযুক্ত পৰিস্থিতিত কথোপনকথন আৰু অধ্যয়নৰ দ্বাৰা সিঁহতক সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ আমি অভ্যস্ত।

এইদৰেই, সাদৃশ্যতা বিচৰাৰ সৈতেই হিউমৰ মতবাদ আৰম্ভ হৈছে আৰু তেওঁ এইটোও দেখুওৱাইছে যে এটা সাধাৰণ বৈশিষ্ট্য আৱিস্কাৰ নকৰাকৈয়ে এক সাদৃশ্য নিৰীক্ষণ কৰাটো সম্ভৱ। হিউমে অভ্যাস আৰু ধাৰণাৰ স্বাভাৱিক সংযোজনৰ দ্বাৰা এটা সাধাৰণ বৈশিষ্ট্যৰ বিমূর্ত্তকৰণক স্থানান্তৰ কৰিছে। তেওঁ কয় যে বস্তুবোৰৰ মাজত যিয়েই পার্থক্য নাথাকক, যদিহে আমি সিঁহতৰ মাজত মিল বা সাদৃশ্যতা দেখা পাওঁ, তেতিয়া আমি একেটা নাম সিহঁতৰ সকলোৰে ক্ষেত্রত প্রয়োগ কৰিবলৈ অভ্যস্ত। এটাৰ লগত আনটোৰ সাদৃশ্য থকা বস্তুবোৰৰ প্রতি একে শব্দ ব্যৱহাৰ কৰাৰ অভ্যাস আমি আহৰণ কৰাৰ পাছত, সেই শব্দটো শুনাৰ লগে লগে সেই বস্তুৰ যিকোনো এটাৰ ধাৰণা সজীৱ হৈ উঠে আৰু আমাৰ মনৰ মাজত সেই সম্পর্কে এক কল্পনা গঢ় লৈ উঠে। শ্রৱণে বস্তুসমূহৰ যিকোনো এটা বস্তুকহে জানিবলৈ দিয়ে। সি সকলো বস্তুৰেই ধাৰণা জন্মাব নোৱাৰে, যিবোৰ ক্ষেত্রত শব্দটো প্রয়োগ কৰা হয়। কিন্তু, যদিহে বিশেষ আৱশ্যকতাই দাবী কৰে, তেন্তে ই একেটা সময়তে এই ধাৰণাটোৰ লগত মিল থকা আন যিকোনো বন্ধুক

দেখুওৱাবলৈ 'এক নির্দ্দিষ্ট অভ্যাস' (a certain custom) ক ক্রিয়াশীল কৰি তোলে। যদিও ই সম্ভাৱনীয়মূলক আৰু প্রকৃতপক্ষে নহয়, তথাপি শব্দৰ নাইবা নামৰ শ্রৱণে ইয়াৰ আগত সকলোকে দেখুৱাই দিয়ে। সিঁহত প্রকৃততে আমাৰ মনত উপস্থিত নাথাকে, বৰঞ্চ কেৱল শক্তিতহে ই নিহিত থাকে। আমি আমাৰ কল্পনাত সিঁহতক স্পষ্টকৈ স্থাপন কৰিব নোৱাৰো। যেতিয়া পৰিস্থিতিয়ে দাবী কৰে, তেতিয়া সিঁহতৰ যিকোনো এটাক দেখুওৱাৰ বাবে আমি নিজকে প্রস্তুত কৰিব লাগে। সাধাৰণতে, খুব কম সংখ্যক ধাৰণা মাত্রহে স্মৰণ কৰিব পৰা যায়। মুঠতে, শব্দ বা নাম প্রয়োগ কৰা সকলো ধাৰণাৰ পুনঃ স্মৰণ প্রায় অসম্ভৱ। কাৰণ আমাৰ মনে কেৱল স্মৰণেই নকৰে, বৰঞ্চ প্রত্যাখ্যানো কৰে। অভ্যস্ত, নোহোৱা যিকোনো বস্তুকেই ই প্রত্যাখ্যান কৰিবলৈ উদ্যত হৈ থাকে। সাধাৰণতে শব্দবোৰৰ ব্যৱহাৰৰ আগতে এক সামান্য অনুসৰণ কৰাৰ দ্বাৰা সাধাৰণ গুণসমূহৰ সদায় এক জ্ঞাত বা বিবেচক বাছনি থাকে।

হিউমৰ প্রবৃত্তিমূলক মতবাদটোক এই মতৰ বিৰুদ্ধে এক প্রতিবাদ ৰূপে গ্রহণ কৰা হয়। সাধাৰণ গুণ বা গুণাৱলীক আৱিষ্কাৰ নকৰাকৈয়ে আৰু সৰলভাৱে কেৱল সাদৃশ্যসমূহ লক্ষ্য কৰিয়েই, (য'ত কোনো সাধাৰণ অনৰূপ গুণ নাথাকে) আমি সামান্যীকৰণ কৰিব পাৰো। অভিজ্ঞতাবাদীসকলৰ মাজত হিউমেই হৈছে প্রথম গৰাকী দার্শনিক, যিয়ে বৈজ্ঞানিক স্তৰৰ তলত দৈনন্দিন জীৱনৰ স্তৰত সাধাৰণ শব্দসমূহৰ ব্যৱহাৰক ব্যাখ্যা কৰিছে। আমি সৰু ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্রত ভাৱিব নোৱাৰো যে সিহঁতে প্রথমে সাধাৰণ গুণ সমূহক পৃথক কৰিব আৰু তাৰ পাছত সামান্যক গঠনৰ উদ্দেশ্যে সিঁহতৰ অমূর্ত্তকৰণ কৰিব। ইয়াত প্রাপ্তবয়স্তসকলৰ লেখিয়াকৈ সিঁহতৰ ক্ষেত্রতো অভ্যাস এক প্রৱল বিষয়। যেতিয়া মনে কেতবোৰ বস্তুৰ মাজত সাদৃশ্যতা পুনৰ নিৰীক্ষণ কৰে, তেতিয়া ই প্রায় আমাৰ জ্ঞানৰ অবিহনেই সংঘটিত হয়, সিঁহতক একত্রিত কৰা হয়, যাৰ সম্বন্ধবোৰ সাধাৰণ নামৰ সাব্যস্তকৰণৰ দ্বাৰা অধিক শক্তিশালী কৰি তোলা হয়। যেতিয়া আমি "Figure" শব্দটোৰ অর্থ নির্ণয় কৰিবলৈ যাওঁ, তেতিয়া আমি কেৱল এটা 'কল্পনা' বা 'ধাৰণা' (Image or Idia) ৰ ওপৰতে নির্ভৰ নকৰোঁ। তাৰ পৰিৱর্তে আমাৰ মনত বিভিন্ন আকৃতি আৰু অংশৰ বৃত্ত, ত্রিভুজ, চর্তুভুজ, আয়ত আদিৰ ধাৰণাহে পুনৰ জীৱিত হৈ উঠে। ইয়াত, অভ্যাসে ইয়াক নজনাকৈয়ে যিখিনি কৰে মনে সেইখিনিকে স্পষ্ট ৰূপত প্রকাশ কৰে। এইদৰেই মনে অভ্যাসবশতঃ 'Figure' শব্দটোৰ অর্থ নির্দ্ধাৰণ কৰে। অভ্যাস আৰু স্বভাৱৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰি আমাক এই কথাৰ পৰা প্রতিবোধ কৰিছে যে এই মতবাদটোৰ মূল বৈশিষ্ট্য এই যে এটা বিশেষক গ্রহণ কৰি তাক পুনৰ একে ধৰণৰ সকলোৰে ক্ষেত্রত ব্যৱহাৰ কৰা হয়। ইয়াত অৱশ্যে এটা বিশেষক লোৱাটো গুৰুত্বপূর্ণ কথা নহয়, বৰঞ্চ এই হৈছে মনৰ অভ্যাস বা প্রবৃত্তি জন্মোৱা এক প্রস্তাৱ, যি হৈছে প্রকৃতিগত স্বভাৱ নাইবা প্রবৃত্তি।

হিউমে পোষণ কৰে যে তর্কবিজ্ঞানক সম্পূর্ণৰূপে মনোবিজ্ঞানৰ পৰা পৃথক কৰিব পৰা নাযায়। তেওঁৰ মতে এটা সাধাৰণ বোধ বা ধাৰণাক আনুমান কৰাৰ হেতু সেই ধাৰণাটোক আমি চিন্তা কৰিবই লাগিব। এটা ধাৰণাক অনুমান কৰাত নাম এটা শুনাৰ ওপৰত এক বিশেষ ভৰষা থাকে, এটা দৃষ্টান্তক স্বীকৃতি দিবলৈ এক সুনির্দিষ্ট প্রস্তুতি থাকে আৰু লগতে প্রয়োজন সাপেক্ষে সেই দৃষ্টান্তটোক অস্বীকাৰো কৰিব পৰা যায়। এটা সামান্যক মনে ধাৰণ কৰা এক গধুৰ কল্পিত উপাদান হিচাপে স্বীকাৰ কৰিব নালাগে, বৰঞ্চ এক প্রস্তুতি আৰু ভৰষা ৰূপেহে গ্রহণ কৰিব লাগে, যাৰ জ্ঞাত হোৱাৰ লগতে এক উদ্বেগপূর্ণ দিশো আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ তলৰ উক্তি সমূহ সত্য নে অসত্য উল্লেখ কৰক।

ক) সামান্য সম্পর্কে হিউমৰ মতামতক অনুৰূপতাবাদ বা সাদৃশ্যবাদ নামেৰে জনা যায়। (সত্য/অসত্য)

খ) হিউম ইচ্ছা নাইবা প্রবৃত্তিমূলক মতবাদৰ সৈতে জড়িত। (সত্য/অসত্য)

গ) হিউমৰ মতে, এটা সাধাৰণ পদৰ লগত সহযোগ কৰাৰ দ্বাৰা এটা বিশেষ ধাৰণা সামান্য ধাৰণালৈ পৰিৱর্তিত হয়। (সত্য / অসত্য)

প্রশ্ন নং ৭ঃ সামান্য সন্দর্ভত বার্কলি আৰু হিউমৰ মাজৰ এক সাদৃশ্যতা লিখক।

.....

.....

প্রশ্ন নং ৮ ঃ হিউমৰ নামবাদৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

প্রশ্ন নং ৯ঃ প্রবৃত্তিমূলক মতবাদৰ জৰিয়তে হিউমে কি প্রমাণ কৰিবলৈ চেষ্টা কৰিছে?

.....

.....



চিন্ত চর্চা কৰক- ১৪.১

সাদৃশ্যতাবাদ বা সাদৃশ্যমূলক মতবাদ সামান্যৰ এক মতবাদ হিচাপে গ্ৰহণযোগ্য হয়নে? আপোনাৰ উত্তৰৰ সপক্ষে কাৰণ আগবঢ়াওক।

উত্তৰ ঃ

.....

.....

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

পূৰ্ব উল্লিখিত আলোচনাৰ পৰা এই কথা স্পষ্ট হৈছে যে নামবাদে সম্পূৰ্ণৰূপে বস্তুগত অধিবিদ্যামূলক সামান্যৰ কথা অস্বীকাৰ কৰিছে। ই যিকোনো অনুৰূপ বস্তু বা বিষয়ক মানি ল'বলৈ প্ৰস্তুত নহয়, যাক বিশেষ বস্তুবোৰৰ এক সমাহাৰত একেটা সময়তে সাধাৰণতে উপস্থিত থাকে বুলি ধৰা হয়। তাৰ ঠাইত এই মতবাদে সামান্যক সাদৃশ্য ৰূপতহে সংজ্ঞা আগবঢ়ায় যেনেকৈ বিশেষসমূহৰ প্ৰয়োজন হয় কেৱল ইটোৰ লগত সিটোৰ মিল বা সাদৃশ্য জ্ঞানৰ দ্বাৰা একেটা নামেৰে সিঁহতক মতাৰ বাবেহে। থ'মাচ হ'বছে এক নৰম ৰূপত তেওঁৰ মতবাদটোৰ উন্নতি সাধন কৰিছে। লগতে তেওঁ সাদৃশ্যমূলক মতবাদৰ লগত যুগ্মভাৱে ইচ্ছা নাইবা প্ৰবৃত্তিমূলক মতবাদ গঠনৰ দ্বাৰা সামান্য সম্পৰ্কীয় সমস্যাবোৰ চলাই নিচে।

এই অধ্যায়টিৰ কিছুমান প্ৰধান দিশ হৈছে ঃ

- নামবাদে বস্তুবোৰৰ এট গোটত অনুৰূপভাৱে উপস্থিত থকা সাধাৰণ সাৰভাগক ততালিকে অস্বীকাৰ কৰিছে।
- এই মতবাদ অনুসৰি, সাদৃশ্য বা মিলেই হৈছে এক বিষয়, যিয়ে বস্তুবোৰক এক বিশেষ গোটৰ মাজলৈ লৈ আনে।
- হ'বচৰ নৰম নামবাদে স্বীকাৰ কৰে যে একেটা নামেৰে মাতিবৰ বাবে বিশেষ এটা গোটে ইটোৰ লগত সিটোৰ সাদৃশ্য জ্ঞান জন্মায় আৰু এই বিশেষসমূহৰ প্ৰত্যেককে বাকীবিলাকৰ দৰে একেটা নামেৰেই মতা হয়, কিয়নো একেটা নামেৰে মতাৰ উপৰিও বেলেগ ক্ষেত্ৰতো ই বাকীবিলাকৰ লগত একে হয়।

- হিউমে তেওঁৰ ইচ্ছা বা প্রবৃত্তিমূলক মতবাদৰ জৰিয়তে প্রমাণ কৰিবলৈ বিচাৰিছে যে সাধাৰণ গুণ বা গুণাৱলীক আৱিস্কাৰ নকৰাকৈয়ে আৰু কেৱল সাদৃশ্যতা সমূহক চিহ্নিত কৰাৰ দ্বাৰাই আমি সামান্যক গঠন কৰিব পাৰো, য'ত কোনো সাধাৰণ গুণাৱলী নাথাকে।



১৪.৫ অধিক জানিবলৈ

1) Aaron, R.I. (1952). *The Theory of Universals.* Oxford.

2) Hume, D (1967). *A Treatise of Human Nature.* Ed by L.A. Selby Bigge. Oxford.

3) Sarma, Dr. Ramala (2013). *Theory of Universals.* N.L. Publications ; Guwahati.

4) Woozley, A.D. (1982). *Theory of Knowledge.* B.I. Publications. New Delhi.



১৪.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) অসত্য খ) সত্য গ) সত্য।

২নং প্রশ্নৰ উত্তৰ ঃ নামবাদ হৈছে এক মতবাদ যিয়ে সাদৃশ্যতাৰ হিচাপত সামান্যৰ সংজ্ঞা আগবঢ়ায়, যিদৰে একেটা নামেৰে বুজোৱাৰ ক্ষেত্রত ইটোৰ লগত সিটোৰ মিল বা সাদৃশ্য তাৰ প্রয়োজন আহি পৰে। সেয়েহে, এই মতবাদক সাদৃশ্যমূলক মতবাদ বুলিও জনা যায়।

৩নং প্রশ্নৰ উত্তৰ ঃ এটা শব্দ হৈছে এটা 'আৰ্হি' (type) , যেতিয়া ইয়াৰ উৎঘাটনৰ সকলো সময়তে ই একে অর্থ থাকে।

৪নং প্রশ্নৰ উত্তৰ ঃ এটা শব্দ এক 'চিহ্ন' (token) হয়, যেতিয়া ই ইয়াৰ বিশেষ সংঘটনক নির্দ্দেশ কৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ হ'বচ্ৰ নামবাদ নৱম নামবাদ, যিয়ে স্বীকাৰ কৰে যে একেটা নামেৰে মাতিৰৰ বাবে বিশেষ এটা গোটে ইটোৰ লগত সিটোৰ সাদৃশ্য জ্ঞান জন্মায় আৰু এই বিশেষ সমূহৰ প্রত্যেক বাকী বিলাকৰ দৰে একেটা নামেৰেই বুজোৱা হয়, কিয়নো একেটা নামেৰে বুজোৱাৰ উপৰিও বেলেগ ক্ষেত্রতো ই বাকীবিলাকৰ লগত একে হয়।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) সত্য খ) সত্য গ) সত্য

৭নং প্ৰশ্নৰ উত্তৰ ঃ হিউম্ আৰু বাৰ্কলি উভয়ে স্বীকাৰ কৰিছে যে সামান্য আৰু সাধাৰণ ধাৰণাবোৰ এক নিৰ্দিষ্ট শব্দৰ লগত বিশেষৰ সংযোগৰ বাদে আন একো নহয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ হিউমৰ মতে, সামান্য বা সাধাৰণ ধাৰণাসমূহ এটা নিৰ্দিষ্ট শব্দৰ লগত বিশেষ সংযোগৰ বাদে আন একো নহয় যিয়ে সিঁহত অধিক বিস্তৃৰ্ণ তাৎপৰ্য্য প্ৰদান কৰে আৰু সিঁহতৰ সৈতে মিল থকা আন আন ব্যক্তি বিশেষৰ ক্ষেত্ৰত সিঁহতক স্মৰণ কৰাত সহায় কৰে। তেওঁ ভাৱে যে প্ৰত্যেক সাধাৰণ শব্দৰ প্ৰতি অনুৰূপ হ'বলৈ এক বিশেষ মানসিক ধাৰণা থাকিবই লাগিব।

৯নং প্ৰশ্নৰ উত্তৰ ঃ হিউমৰ প্ৰবৃত্তিমূলক মতবাদটোক এই মতৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ এক সঁজুলি হিচাপে ধৰা হয়, যে সাধাৰণ শব্দৰ ব্যৱহাৰৰ পূৰ্বে এটা সামান্যক গঠন কৰাক অনুসৰণ কৰি সাধাৰণ গুণাৱলীসমূহৰ সদায় এক বিবেকীয় বাচনি থাকে। সাধাৰণ গুণ বা গুণাৱলী আৱিস্কাৰ নকৰাকৈয়ে আৰু সৰলভাৱে সাদৃশ্যতাবোৰ চিহ্নিত কৰিয়েই আমি সামান্যীকৰণ কৰিব পাৰো, য'ত অনুৰূপ কোনো ধৰণৰ গুণ বা ধৰ্ম নাথাকে।

১৪.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ হিউম এজন নামবাদী হয়নে?

প্ৰশ্ন ২ঃ Ockkam's Razor ৰ মতবাদৰ সৈতে কোন জড়িত?

প্ৰশ্ন ৩ঃ কেইজনমান নামবাদৰ সমৰ্থকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ 'আৰ্হি' (type) আৰু 'চিহ্ন' (token) ক ব্যাখ্যা কৰিবলৈ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ৫ঃ হিউমে তেওঁৰ সামান্য সম্পৰ্কীয় মতামতক স্পষ্ট কৰিবলৈ আগবঢ়োৱা মতবাদটো কি?

খ) চমু প্ৰশ্ন (১০০-১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ নামবাদৰ ওপৰত এক চমুটোকা যুগুত কৰক।

প্ৰশ্ন ২ঃ Ockham's Razor কি?

প্ৰশ্ন ৩ঃ নামবাদক কিয় সাদৃশ্যমূলক মতবাদ বুলিও কোৱা হয়?

প্ৰশ্ন ৪ঃ হ'বছ্ৰ নামবাদ আৰু বৌদ্ধ নামবাদৰ মাজত পাৰ্থক্য কি?

প্ৰশ্ন ৫ঃ সাদৃশ্যানুমানৰ চমু ব্যাখ্যা আগবঢ়াওক যাক হিউমে প্ৰবৃত্তিমূলক মতবাদক ব্যাখ্যা কৰিবলৈ ব্যৱহাৰ কৰিছে।

প্ৰশ্ন ৬ঃ "এটা সাধাৰণ শব্দৰ লগত যোগ হোৱাৰ দ্বাৰা এটা বিশেষ ধাৰণা সাধাৰণ হৈ পৰে।" এই মতৰ সমৰ্থনত হিউমে আগবঢ়োৱা যুক্তিসমূহ বিচাৰ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৩৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ হ'ব্চৰ নামবাদ এক নৰম নামবাদ। এই উক্তিটো বুজাই দিয়ক।

প্ৰশ্ন ২ঃ হ'ব্চৰ সামান্যৰ মতবাদটো আলোচনা কৰক। বাৰ্কলিৰ পৰা তেওঁ কিদৰে পৃথক?

প্ৰশ্ন ৩ঃ সমালোচনাসহ সামান্যৰ সাদৃশ্যমূলক মতবাদৰ আলোচনা কৰক।

****